**জে. পি. ৰবিদাস আৰু অন্যান্য।**

**বনাম**

**নৱযুৱক হৰিজন উথাপন**

**মাল্টি ইউনিট ইণ্ডাষ্ট্ৰিয়েল কো-অপাৰেটিভ ছ'চাইটি**

**লিমিটেড আৰু অন্যান্য।**

৭ জুলাই, ১৯৯৭

**( ন্যায়াধীশ কে. ৰামাস্বামী আৰু ডি.পি. ৱাধৱা)**

সমবায় সমিতি- চৰকাৰী ভূমি- ঘৰ নিৰ্মাতাই আবণ্টন দিয়া অদলিত সদস্যৰ ফ্লেট আবণ্টন-নিয়ম উলংঘা কৰা আৰু বিৰোধী— উৎখাতৰ নিৰ্দেশ- গোটেই ৪০ জন অদলিত সদস্যক বহিষ্কাৰ কৰা হব আৰু তেওঁলোকৰ ঠাইত ৪০ জন দলিতক ফ্লেট আবণ্টন দিয়া হব-পৌৰ নিগমৰ কৰ্মচাৰীসকলে নিয়মাৱলীৰ সংৰক্ষণ অনুসৰি ফ্লেট আবণ্টন-সমবায় সমিতিৰ পঞ্জীয়কে এনে আবণ্টনৰ পৰিসৰ আৰু আবণ্টন নিয়মীয়াকৰণ চোৱাচিতা কৰিব ।

জে পি ৰবিদাস আৰু অন্যান্য বনাম নৰুযুৱক হৰিজন উথাপন মাল্টি ইউনিট ইণ্ডাষ্ট্ৰিয়েল সমবায় সমিতি লিমিটেড এণ্ড অৰ্চ , (১৯৯৬) ৯ এছচিচি ৮০০ , উল্লেখ কৰা হৈছে।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: আই. এ. নং ৪।

ভিতৰত

# দেৱানী আপীল নং ৭৭৪৫/১৯৯৬

১৯৯৩ চনৰ এ. নং ৭৯০ গোচৰত বম্বে উচ্চ ন্যায়ালয়ৰ ৮.১১.৯৩ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আৰ. বি. মাছোদকাৰ আৰু শ্ৰীমতী বৃন্দা ধৰ, আপীলকাৰীৰ হৈ।

এ.কে. শ্ৰীবাস্তৱ, প্ৰতিবাদকাৰীসকলৰ হৈ।

হৰিশ ছালভে, এ. এম. খানৱিলকাৰ, শ্ৰীমতী ভি.ডি. খান্না আৰু শ্ৰীমতী এ.পি. মায়ে আবেদনকাৰীৰ হৈ ।

আদালতৰ তলত দিয়া আদেশ দিয়া হৈছিল : এই আদালতে ১৯৯৬ চনৰ ১২ এপ্ৰিলত জে.পি.ৰবিদাস এণ্ড অদাৰছ বনাম নৱ যুৱক হৰিজন উথাপন মাল্টি ইউনিট ইণ্ডাষ্ট্ৰিয়েল ক'অপাৰেটিভ ছ'চাইটিজ লিমিটেড এণ্ড অদাৰছ , (১৯৯৬) ৯ এছচিচি ৮০০ গোচৰত জাৰি কৰা নিৰ্দেশনা অনুসৰি সমবায় সমিতিৰ পঞ্জীয়কে তদন্ত কৰে ব্যক্তি সকলৰ যোগ্যতা ৰ ওপৰত যাক চৰকাৰী মাটি আবণ্টন দিয়াৰ সময়ত চৰকাৰে জাৰি কৰা মূল নিৰ্দেশনা উলংঘা কৰি ঘৰ নিৰ্মাতাই আবণ্টন দিছে।

ছ'চাইটিয়ে স্পষ্টীকৰণৰ বাবে আবেদন দাখিল কৰিছে যে প্ৰশাসক নিযুক্তি দিয়াৰ পিছতো পৰিচালনা সমিতিয়ে ফ্লেটসমূহৰ দখল আপীলকাৰীসকলৰ হাতত অৰ্পণ কৰা নাই।

এই তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি নিৰ্দেশ দিওঁ যে প্ৰশাসকে পঞ্জীয়কৰ প্ৰতিবেদনত নাম উল্লেখ কৰা এই গোটেই ৪০ জন ব্যক্তিক বাহিৰ কৰি দিয়াৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগে। ৪০ জন দলিত যোগ্য সদস্যক ভৰ্তি কৰি তেওঁলোকক ফ্লেট আবণ্টন দিব লাগে। ইয়াৰ পিছতে তেওঁক

পৰিচালনাৰ কাম নৱ যুৱক হৰিজন উথাপন বহু ইউনিট ঔদ্যোগিক সমবায় সমিতিৰ হাতত অৰ্পণ কৰিবলৈ নিৰ্দেশ দিয়া হয়। সেই অনুসৰি আবেদনখন নিষ্পত্তি কৰা হয়। সমবায় সমিতিৰ পঞ্জীয়কক প্ৰশাসকে দখল কাৰী সকলক বহিষ্কাৰ কৰা, দলিত সদস্যসকলক ৪০টা ফ্লেট আবণ্টন দিয়া ; তেওঁলোকৰ পৰা ধন সংগ্ৰহ কৰা আৰু অট্টালিকাৰ পৰা বঞ্চিত হোৱা অদলিতসকলৰ হাতত সেই ধনৰাশি গতাই দিয়া পদক্ষেপসমূহ চোৱাচিতা কৰিবলৈ নিৰ্দেশ দিয়া হয় ।

আবেদন নিষ্পত্তি কৰা হল।

অনুবাদক- শ্ৰী প্ৰণৱ জ্যোতি বৰা

জ্যেষ্ঠ অনুবাদক

গুৱাহাটী উচ্চ ন্যায়ালয়